# জাননী

NRC
NATIONAL REGISTER OF CITIZENS

**ইয়াৰ দ্বাৰা ৰাইজৰ জ্ঞাতাৰ্থে জনোৱা হৈছে যে, ৰাজ্যৰ সকলো জিলাতেই ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী আবেদনপত্ৰৰ বিতৰণ আৰু সম্পূৰ্ণভাৱে পূৰণ কৰা আবেদনপত্ৰ গ্ৰহণৰ কাম আৰম্ভ হৈছে।**

**এই সংক্ৰান্তত ৰাইজৰ সুবিধাৰ্থে তলত উল্লেখ কৰা গুৰুত্বপূৰ্ণ তথ্যখিনিৰ বিষয়ে জ্ঞাত হ'বলৈ ইয়াৰ দ্বাৰা ৰাইজক অনুৰোধ জনোৱা হ'ল।**

১। অসমৰ প্ৰতিখন জিলাত ঘৰে ঘৰে এন আৰ চিৰ আবেদনপত্ৰ বিতৰণৰ দায়িত্ব পালনৰ বাবে বিশেষভাৱে নিয়োজিত ক্ষেত্ৰ পৰ্য্যায়ৰ বিষয়াসকল (FLO)ৰ দ্বাৰা আবেদনপত্ৰ বিতৰণ কৰি থকা হৈছে।

২। আবেদনপত্ৰসমূহ বিনামূলীয়াকৈ বিতৰণ কৰা হৈছে। ক্ষেত্ৰ পৰ্য্যায়ৰ কোনো বিষয়া নাইবা কোনো চৰকাৰী বিষয়া কৰ্মচাৰীয়ে আবেদনপত্ৰৰ বাবে টকা বিচাৰিলে তেওঁৰ বিৰুদ্ধে সংশ্লিষ্ট উপায়ুক্ত (নাগৰিক পঞ্জীয়নৰ জিলা পঞ্জীয়ক বা ডি আৰ চি আৰ)/চক্ৰ বিষয়া (নাগৰিক পঞ্জীয়নৰ চক্ৰ পঞ্জীয়ক বা চি আৰ চি আৰ)/নাগৰিক পঞ্জীয়নৰ স্থানীয় পঞ্জীয়ক (এল আৰ চি আৰ)ৰ ওচৰত অভিযোগ দাখিল কৰিব পাৰে। এন আৰ চিৰ বিনামূলীয়া হেল্পলাইন নম্বৰ 15107 বা আমাৰ ৱেবচাইট **(www.nrcassamcomplaints.in/)** ৰ যোগেদিও অভিযোগ দাখিল কৰিব পাৰে।

৩। ঘৰে ঘৰে বিতৰণ কৰা আবেদনপত্ৰ পোৱাৰ বাবে আৰু এন আৰ চিত নাম অন্তৰ্ভুক্তিৰ বাবে আবেদন দাখিল কৰিবলৈ ৰাজ্যখনৰ সকলো বাসিন্দাৰ যোগ্যতা আছে।

৪। পৰিয়ালৰ বাবে আবেদনপত্ৰ পোৱাৰ ক্ষেত্ৰত বাসিন্দাসকলে ভোটাৰ তালিকা বা অন্য কোনো নথিপত্ৰ দেখুৱাব নালাগে।

৫। পূৰণ নকৰা আবেদনপত্ৰৰ ফটোকপিও আবেদনপত্ৰ হিচাপে ব্যৱহাৰ কৰিব পাৰে নাইবা এন আৰ চি অসমৰ ৱেবচাইট **(www.nrcassam.nic.in/application-form.html)**ৰ পৰা ডাউনলোড কৰি লোৱা আবেদনপত্ৰও ব্যৱহাৰ কৰিব পাৰে। কেৱল ক্ষেত্ৰ পৰ্য্যায়ৰ বিষয়া (FLO)ৰ পৰা প্ৰাপ্ত আবেদনপত্ৰহে ব্যৱহাৰ কৰা আৰু দাখিল কৰাটো বাধ্যতামূলক নহয়।

৬। আবেদনকাৰীয়ে সাধাৰণতে যদি ঠিকনাত ঘৰৰ নম্বৰ ব্যৱহাৰ নকৰে তেন্তে আবেদনপত্ৰত ঠিকনা পূৰ কৰাৰ সময়ত ঘৰৰ নম্বৰ উল্লেখ কৰাটো বাধ্যতামূলক নহয়। আবেদনকাৰীয়ে লোকপিয়ল বা নিৰ্বাচন সম্পৰ্কীয় ঘৰৰ নং নাইবা কোনো চৰকাৰী এজেঞ্চিৰ দ্বাৰা প্ৰদত্ত অন্য কোনো ঘৰৰ নম্বৰ বিচৰা / সংগ্ৰহ কৰাৰ প্ৰয়োজন নাই।

৭। আবেদনপত্ৰসমূহ সম্পূৰ্ণকৈ আৰু সঠিকভাৱে পূৰণ কৰি আৱশ্যকীয় সকলো নথিপত্ৰৰে সৈতে দাখিল কৰাটো ৰাইজৰ নিজৰ স্বাৰ্থতে অতীব প্ৰয়োজনীয়। আবেদনপত্ৰসমূহৰ লগত আৱশ্যকীয় সকলো নথিপত্ৰ বা কোনো নথিপত্ৰ সংলগ্ন কৰা নাথাকিলেও এন আৰ চি সেৱা কেন্দ্ৰ (এনএছকে)সমূহত দাখিল কৰিলে সেইবোৰ গ্ৰহণ কৰা হ'ব। অৱশ্যে এইক্ষেত্ৰত নাগৰিকপঞ্জীত আবেদনকাৰীৰ নাম অন্তৰ্ভুক্তিৰ যোগ্যতা নিৰূপণৰ বাবে কৰিবলগীয়া পৰীক্ষণৰ সময়ত প্ৰয়োজনীয় সকলো তথ্য প্ৰমাণ / নথিপত্ৰৰ অভাৱত আবেদনপত্ৰ বাতিল হোৱাৰ সম্ভাৱনা আবেদনকাৰীয়ে মূৰ পাতি ল'ব লগা হ'ব পাৰে।

৮। ইংৰাজী আবেদনপত্ৰ অসমীয়া আৰু বাংলা, বাংলা আবেদনপত্ৰ ইংৰাজী আৰু অসমীয়া আৰু অসমীয়া আবেদনপত্ৰ ইংৰাজীতো পূৰণ কৰিব পাৰিব।

৯। আবেদনপত্ৰত আবেদনকাৰীয়ে উল্লেখ কৰা লিগেচি ডাটাত বানান ভুলকৈ উল্লেখিত নামৰ বাবে আবেদনপত্ৰ খাৰিজ হোৱাৰ সম্ভাৱনা নাই।

১০। আবেদনপত্ৰ সহজে পূৰণ কৰাৰ সুবিধাৰ্থে নিম্নলিখিত সজাগতা/প্ৰচাৰসমল প্ৰস্তুত কৰি উলিওৱা হৈছে ঃ

ক) প্ৰতিখন আবেদনপত্ৰৰ লগত 'ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ আবেদনপত্ৰ পূৰণৰ সহজ উপায়' শীৰ্ষক নিৰ্দেশনাপত্ৰ এখন বিতৰণ কৰা হৈছে। যদি কোনোৱে এই পত্ৰখন আবেদনপত্ৰৰ লগত নাপায় তেতিয়া এন আৰ চিৰ হেল্পলাইন নম্বৰ 15107 ত ফোনযোগে অথবা এন আৰ চি ৱেবচাইট **(www.nrcassamcomplaints.in/)**ত অভিযোগ দাখিল কৰিব পাৰে। এই নিৰ্দেশনাপত্ৰ এনআৰচি অসমৰ ৱেবচাইট **(www.nrcassam.nic.in/application-form.html)**ত অনলাইনযোগেও চাব পাৰে।

খ) আবেদনপত্ৰ পূৰণৰ বাবে আৱশ্যকীয় তথ্য অৰ্থাৎ লাগতিয়াল নথিপত্ৰ আৰু প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ দিয়াৰ বাবে প্ৰয়োজনীয় দিহা-পৰামৰ্শ সম্বলিত এখনি প্ৰচাৰপত্ৰ প্ৰকাশ কৰা হৈছে। এই প্ৰচাৰপত্ৰসমূহ জিলা প্ৰশাসনৰ বিষয়াৰ দ্বাৰা নগৰ আৰু গ্ৰামাঞ্চলত আয়োজিত গাওঁসভা / নাগৰিকসভাসমূহত বিতৰণ কৰা হৈছে। এই প্ৰচাৰপত্ৰও এন আৰ চি অসমৰ ৱেবচাইট **(www.nrcassam.nic.in/leaflets.html)**ত অনলাইনযোগে চাব পাৰিব।

গ) চন্দ্ৰ শৰ্মা নামৰ ব্যক্তি এজনৰ কাল্পনিক পৰিয়ালৰ দ্বাৰা আবেদনপত্ৰ পূৰণৰ উদাহৰণ দাঙি ধৰি আবেদনপত্ৰ কিদৰে পূৰণ কৰিব পাৰি তাৰ বিৱৰণ সম্বলিত এখন ভিডিঅ' টিউটৰিয়েল প্ৰস্তুত কৰা হৈছে। এই ভিডিঅ' টিউটৰিয়েলটো এন আৰ চি অসমৰ ৱেবচাইট **(www.nrcassam.nic.in/videos.html)**ত চাব পাৰিব আৰু ডাউনলোডো কৰিব পাৰিব। ৰাইজৰ বাবে এই ভিডিঅ' টিউটৰিয়েল ইউ টিউবতো আপলোড কৰা হৈছে। জিলা প্ৰশাসনৰ বিষয়াসকলৰ দ্বাৰা পৰিচালিত গাওঁসভা / নাগৰিক সভাসমূহতো এই ভিডিঅ' টিউটৰিয়েল প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে।

ঘ) চন্দ্ৰ শৰ্মাৰ কাল্পনিক পৰিয়ালে কিদৰে নথিপত্ৰ সংগ্ৰহ কৰি আবেদনপত্ৰ পূৰণ কৰিছে তাক দেখুৱাই চিত্ৰ সম্বলিত প্ৰচাৰপত্ৰ এখনো ছপা কৰি উলিওৱা হৈছে। ৰাইজে ক্ষেত্ৰ পৰ্য্যায়ৰ বিষয়াসকলৰ পৰা এই প্ৰচাৰপত্ৰ সংগ্ৰহ কৰিব পাৰিব। এই প্ৰচাৰপত্ৰখন সকলো নাগৰিক সেৱা কেন্দ্ৰ আৰু এন আৰ চি অসমৰ ৱেবচাইট **(www.nrcassam.nic.in/leaflets.html)**ত উপলব্ধ কৰা হৈছে।

ঙ) আবেদনপত্ৰ পূৰণ কৰাত ৰাইজক আৰু অধিক সহায় কৰিবলৈ আবেদনপত্ৰৰ পৃষ্ঠা- **'C'**ৰ এটি অনুশীলনী পৃষ্ঠা ছপা কৰা হৈছে। ওচৰৰ নাগৰিক সেৱা কেন্দ্ৰসমূহৰ পৰা এই অনুশীলনী পৃষ্ঠাসমূহ সংগ্ৰহ কৰি অনুশীলন কৰাৰ জৰিয়তে আবেদনপত্ৰসমূহ শুদ্ধকৈ আৰু পৰিষ্কাৰভাৱে পূৰণ কৰাত সহায়ক হ'ব।

১১। আবেদনপত্ৰসমূহ **২২ জুন, ২০১৫** তাৰিখৰ পৰা এন আৰ চি অসমৰ ৱেবচাইট **(www.nrcassam.nic.in)** ৰ জৰিয়তে অনলাইন দাখিল কৰিব পাৰিব।

১২। ক্ষেত্ৰ পৰ্য্যায়ৰ বিষয়াসকলৰ দ্বাৰা ঘৰে ঘৰে আবেদনপত্ৰ বিতৰণ কৰাৰ সময়ত প্ৰতিটো পৰিয়ালৰ পৰা আবেদনপত্ৰ গ্ৰহণ কৰাৰ তাৰিখ জনাই দিয়া হ'ব। এন আৰ চি সেৱা কেন্দ্ৰসমূহত অত্যধিক আবেদনকাৰীৰ ভিৰৰ পৰা হাত সাৰিবলৈ আৰু সুশৃংখলভাৱে আবেদনপত্ৰ গ্ৰহণ কৰাৰ সুবিধাৰ্থে আবেদনপত্ৰ জমা দিয়াৰ এই নিৰ্দিষ্ট তাৰিখ জনাই দিয়াৰ ব্যৱস্থা হাতত লোৱা হৈছে।

১৩। এন আৰ চি সেৱা কেন্দ্ৰসমূহ, মাহৰ দ্বিতীয় আৰু চতুৰ্থ শনিবাৰ, সকলো দেওবাৰ আৰু চৰকাৰী বন্ধৰ দিনৰ বাহিৰে সকলো কৰ্মদিনত খোলা থাকিব।

১৪। আবেদনপত্ৰ জমা লোৱাৰ অন্তিম তাৰিখ **৩১ জুলাই, ২০১৫**।

**বিশদভাৱে জানিবলৈ আৰু সহায়ৰ বাবে**

**আমাৰ টোল ফ্ৰী হেল্পলাইন নম্বৰ ১৫১০৭ (15107)**

**আমাৰ ৱেবচাইট**
**www.nrcassam.nic.in**

**ৰাজ্যিক সমন্বয়ক, ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়ন, অসমৰ দ্বাৰা জনহিতাৰ্থে প্ৰচাৰিত।**

Exclusive/NRC/05-2015/16